# অসম বিধান সভা

## তৰাযুক্ত প্ৰশ্ন নং –১৬৫

## উত্তৰ দানৰ তাৰিখ ঃ ২৭/০২/২০১৭ ইং

*বিষয়* ঃ দক্ষিণ শালমাৰা-মানকাচাৰ আৰক্ষী জিলাৰ সীমা নিৰ্দ্ধাৰণ ।

শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ বিধায়ক

মাননীয় গৃহ আৰু ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দক্ষিণ শালমাৰা-মানকাচাৰ গঠন আৰু দক্ষিণ শালমাৰা-মানকাচাৰ জিলা (অসামৰিক) সামৰি লোৱা অঞ্চলৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত, দক্ষিণ শালমাৰা-মানকাচাৰ জিলা (অসামৰিক)ৰ বাহিৰত থকা ফকিৰগঞ্জ জিলা পৰিষদ এলেকা, বীকসিং, জৰুৰা আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত এলেকা আৰু জামাদাৰহাট আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত এলেকা সমূহ দক্ষিণ শালমাৰা-মানকাচাৰ আৰক্ষী জিলাৰ পৰা কৰ্তন কৰি কেতিয়াকৈ ধুবুৰী আৰক্ষী জিলাৰ অন্তৰ্ভূক্ত কৰা হ'ব ?

## উত্তৰ ঃ

মাননীয় গৃহ আৰু ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ৰ হৈ পৰিবহন আদি বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী দেৱে উত্তৰ দিব ।

(ক) হয় অৱগত ।

(খ) বৰ্তমান উক্ত অঞ্চলসমূহ ধুবুৰী জিলা উপায়ুক্তৰ আৰু দক্ষিণ শালমাৰা আৰক্ষী জিলাৰ অধীনত অন্তৰ্ভূক্ত হৈ আছে। এই এলেকাসমূহ ধুবুৰী আৰক্ষী জিলাৰ অন্তৰ্ভূক্ত কৰাৰ বিষয়টো সংমণ্ডল আৰক্ষী উপ মহাপৰিদৰ্শকে আৰু সংমণ্ডল আয়ুক্তৰ পৰা তথ্যসম্বলিত প্ৰতিবেদন পালে চৰকাৰে পৰীক্ষা কৰিব ।

****